# 2026

## ASSAMESE

( Minor )

Paper : ASS0600604

( অসমৰ আৰ্যভিন্ন ভাষা )

( Set–B )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions.*

১। তলৰ প্ৰশ্নসমূহৰ অতি চমুকৈ উত্তৰ লিখা : ১×৮=৮

(ক) অষ্ট্ৰিক ভাষা আৰ্য নে আৰ্যভিন্ন ভাষা-পৰিয়ালৰ ভাষা ?

(খ) দ্ৰাবিড় ভাষাগোষ্ঠীৰ ভাষাবোৰ প্ৰধানকৈ ভাৰতৰ কোন অঞ্চলত প্ৰচলিত ?

(গ) *Assamese and Bodo : A Comparative and Contrastive Study* শীৰ্ষক গ্ৰন্থখনৰ ৰচক কোন ?

(ঘ) বৰো ভাষাৰ বাতৰিকাকত 'বনজাৰ'ৰ প্ৰথম প্ৰকাশৰ চনটো লিখা।

(ঙ) ৰাভা ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত ?

(চ) গাৰো ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনিৰ সংখ্যা কিমানটা ?

(ছ) ৰাভা ভাষাত বচন কেইবিধ ?

(জ) অসমীয়া ভাষাৰ এটা নৃ-গোষ্ঠীয় উপভাষাৰ নাম লিখা।

২। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা : ২×৬=১২

(ক) ভাৰতত প্ৰচলিত যি কোনো দুটা আৰ্যভিন্ন ভাষাগোষ্ঠীৰ নাম লিখা।

(খ) হিমালয়ী উপশাখাৰ অন্তৰ্গত যি কোনো দুটা ভাষাৰ নাম লিখা।

(গ) 'কাৰ্বি লামকুক' গ্ৰন্থখন কোন দুগৰাকী ব্যক্তিয়ে প্ৰণয়ন কৰিছিল ?

(ঘ) গাৰো ভাষাত সন্ধি কেইটা ? ভাষাটোত সন্ধি বৰ্ণগতনে ?

(ঙ) কাৰ্বি ভাষাত বচন কেইটা ? কি কি ?

(চ) 'হাতী' আৰু 'পথাৰ' শব্দ দুটাৰ ৰাভা-ৰূপ লিখা।

(ছ) অসমীয়া ভাষাত ব্যৱহৃত টাই-খামতি ভাষাৰ দুটা শব্দ লিখা।

(জ) অসমত বসবাস কৰা টাইমূলীয় ফৈদকেইটা কি কি ?

(ঝ) অষ্ট্ৰ-এছীয় শাখাৰ দুটা উপশাখাৰ নাম লিখা।

(ঞ) গাৰো ভাষা-সাহিত্যৰ অগ্ৰগতিৰ বুৰঞ্জীক কেইটা ভাগত ভাগ কৰিব পাৰি ? এটা ভাগৰ নাম উল্লেখ কৰা।





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ বিষয়ে চমুকৈ লিখা।

(খ) বৰো ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তৰণ সম্পৰ্কে লিখা।

(গ) গণমাধ্যমত ৰাভা ভাষাৰ ব্যৱহাৰ সম্পৰ্কে লিখা।

(ঘ) কাৰ্বি ভাষাৰ ভাষা-বিষয়ক উত্তৰণ সম্পৰ্কে লিখা।

(ঙ) আৰ্যভিন্ন ভাষাৰ স্বৰধ্বনি সম্পৰ্কে লিখা।

(চ) আৰ্যভিন্ন ভাষাৰ সন্ধি সম্পৰ্কে লিখা।

(ছ) বৰো ভাষাৰ স্বৰধ্বনিৰ বিষয়ে লিখা।

(জ) তিব্বত-বৰ্মীয় ভাষাত অসমীয়া ভাষাৰ ৰূপগত প্ৰভাৱ সম্পৰ্কে লিখা।

৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) অসমত প্ৰচলিত আৰ্যভিন্ন ভাষাসমূহৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখা।

(খ) মিচিং ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত? মিচিং ভাষাৰ উত্তৰণ আৰু বৰ্তমানৰ স্থিতি সম্পৰ্কে বহলাই আলোচনা কৰা।

(গ) অসমৰ আৰ্যভিন্ন ভাষাৰ বাক্যতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে এক বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(ঘ) অসমৰ আৰ্যভিন্ন ভাষাসমূহত অসমীয়া ভাষাৰ প্ৰভাৱ সম্পৰ্কে বিতংকৈ আলোচনা কৰা।

(ঙ) অসমীয়া ভাষাত অষ্ট্ৰিক আৰু দ্ৰাবিড় ভাষাগোষ্ঠীৰ প্ৰভাৱ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

★★★